# Regional News Unit
# All India Radio, Guwahati
# 0000000000

Date : 02-08-2024
Time : 1845 Hrs

*Assamese Evening Bulletin*
***Headlines***

0000000

১। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰ দুদিনীয়া ৰাজ্যপালসকলৰ সন্মিলন উদ্বোধন। বৈঠকত কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত সমন্বয় বৃদ্ধিৰ ক্ষেত্ৰত ৰাজ্যপালৰ ভূমিকা সম্পৰ্কত আলোচনা।

২। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ব্যৱসায়িক সূচলতাৰ বাবে বিভিন্ন ধৰণৰ প্ৰত্যক্ষ আৰু পৰোক্ষ ব্যৱস্থা গ্ৰহণ কৰা বুলি মুখ্য সচিব ড০ ৰবি কোটাৰ মন্তব্য।

৩। মন্ত্ৰী কেশৱ মহন্তৰ নতুন দিল্লীত ৭ গৰাকী কেন্দ্ৰীয় মন্ত্ৰীক সাক্ষাৎ কৰি ৰাজ্যৰ বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ বিষয়ে আলোচনা।

৪। পেৰিছ অলিম্পিকৰ সপ্তম দিনা আজি ভাৰতৰ অংকিতা ভকত আৰু ধীৰাজ বোম্মাদেৱাৰাৰ আৰ্ছাৰীৰ দলীয় মিক্সড শিতানৰ ছেমি ফাইনেলত প্ৰৱেশ। ***আৰু***

৫। ভাৰত আৰু শ্ৰীলংকাৰ মাজত অনুষ্ঠিত ৩ খনীয়া এদিনীয়া শৃংখলাৰ প্ৰথমখন খেলত শ্ৰীলংকাই ভাৰতক জয়ৰ বাবে ২৩১ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাষ্ট্ৰপতি ভৱনত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত ৰাজ্যপালসকলৰ সন্মিলন উদ্বোধন কৰে। সন্মিলনৰ কাৰ্যসূচীত তিনিখন ফৌজদাৰী আইনৰ ৰূপায়ণ, উচ্চ শিক্ষাখণ্ডৰ সংস্কাৰ আৰু বিশ্ববিদ্যালয়ৰ স্বীকৃতি আৰু অগ্ৰাধিকাৰপ্ৰাপ্ত ক্ষেত্ৰসমূহৰ উন্নয়নৰ লেখীয়া বিষয়সমূহে স্থান লাভ কৰিব। বিভিন্ন অভিযানৰ ক্ষেত্ৰত ৰাজ্যপালৰ ভূমিকা তথা ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত উন্নত সমন্বয়ৰ দৰে আন ভালেমান গুৰুত্বপূৰ্ণ বিষয় লৈ সন্মিলনত আলোচনা কৰা হ'ব। ইপিনে, সাধাৰণ ৰাইজক কল্যাণমূলক আঁচনি প্ৰদানৰ দৰে বিষয়ো এই সন্মিলনত ঠাই পাব। উদ্বোধনী ভাষণত ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে ৰাষ্ট্ৰৰ বিভিন্ন লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত বিষয়সমূহ সাৱধানতাৰে নিৰ্বাচন কৰি এই সন্মিলনৰ কাৰ্যসূচীত অন্তৰ্ভুক্ত কৰা হৈছে। তেওঁ কয় যে এই সন্মিলনত হোৱা আলাপ আলোচনাই অংশগ্ৰহণকাৰী সকলোকে তেওঁলোকৰ কাম-কাজ উন্নত কৰাৰ ক্ষেত্ৰত সহায় কৰিব।উল্লেখযোগ্য যে এইখন হ'ল ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৰ অধ্যক্ষতাত অনুষ্ঠিত ৰাজ্যপালসকলৰ প্ৰথমখন সন্মিলন।

০০০০০০০

গুৱাহাটীত অনুষ্ঠিত ব্যৱসায়িক সূচলতা সন্দৰ্ভত আই চি চিৰ মাহটোৰ অতিথিৰ উদ্বোধনী অনুষ্ঠানত ভাষণ দি মুখ্য সচিব ৰবী কোটাই উত্তৰ পূৰ্বাঞ্চলত ভাৰতীয় বাণিজ্য মহাসংঘই আগবঢ়োৱা অৱদান আৰু প্ৰচেষ্টাৰ শলাগ লয়। গুৱাহাটীত এনেধৰণৰ অনুষ্ঠানৰ আয়োজন অসমৰ ব্যৱসায়িক পৰিৱেশৰ ভৱিষ্যত গঢ়াৰ বাবে সকলো অংশীদাৰকে অভিলাসী লক্ষ্য নিৰ্ধাৰণৰ সুযোগ আগবঢ়াব বুলি ড০ কোটাই মন্তব্য কৰে। তেওঁ কয় যে, প্ৰথম দৃষ্টিত ব্যৱসায়ৰ সূচলতা বিষয়টো অতি সৰল যেন লাগিলেও প্ৰতিটো উদ্যোগকে সফল কৰি তোলাৰ ক্ষেত্ৰত বিস্তৃত কাম-কাজৰ প্ৰয়োজন। এই ক্ষেত্ৰত চৰকাৰ আৰু সকলো অংশীদাৰৰ মাজত প্ৰতিটো স্তৰতে মত বিনিময় হোৱাটো অতি গুৰুত্বপূৰ্ণ। এনে কাৰ্যই ব্যাপক মাত্ৰাত একোটা উদ্যোগক উপকৃত কৰাত সহায় কৰে। ড০ কোটাই লগতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ব্যৱসায়িক সূচলতাৰ বাবে আইন অথবা নীতি নিয়মৰ সংশোধনৰ উপৰি নতুন আইন প্ৰনয়ন নাইবা অপ্ৰয়োজনীয় ৰঙা ফিটাৰ মেৰপেছ আঁতৰাই ভালেমান প্ৰত্যক্ষ আৰু পৰোক্ষ ব্যৱস্থা গ্ৰহণ কৰা বুলিও উল্লেখ কৰে। ইয়াৰ উপৰিও সমগ্ৰ দেশৰে উদ্যোগিক সংস্থাসমূহৰ সৈতে জড়িত হৈ উন্নতমানৰ অনুশীলন সমূহৰ সৈতে পৰিচিত হোৱা কাৰ্যও অতি গুৰুত্বপূৰ্ণ বুলি তেওঁ মন্তব্য কৰে।

০০০০০০০

অহা ২২ আগষ্টৰ পৰা অসম বিধানসভাৰ শৰৎকালীন অধিবেশন আৰম্ভ হ'ব। বিধানসভা সচিবালয়ে অধিবেশনৰ সাময়িক কাৰ্যসূচী প্ৰকাশ কৰা অনুসৰি অধিবেশনখন পাঁচ দিন চলিব আৰু ৩০ আগষ্টত অন্ত পৰিব।

০০০০০০০

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে আজি বজালিৰ মৰীপুৰত পঞ্চদশ বিত্তীয় আয়োগৰ পুঁজিৰে নিৰ্মিত নিত্যানন্দ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ পথটো উদ্বোধন কৰে। তেওঁ লগতে বৰবাং গাঁও পঞ্চায়তৰ গোঁসাইপাৰাত মহাত্মা গান্ধী এনৰেগাৰ অধীনত নিৰ্মিত পথটোৰ উদ্বোধন কৰে। মন্ত্ৰীগৰাকীয়ে লগতে নিত্যানন্দ খণ্ড প্ৰাথমিক চিকিৎসালয় পৰিদৰ্শন কৰি চিকিৎসক, স্বাস্থ্যকৰ্মী আৰু ৰোগীসকলৰ লগত মত-বিনিময় কৰে আৰু তেওঁলোকৰ পৰা চিকিৎসালয়খনৰ স্বাস্থ্যসেৱা ব্যৱস্থাৰ লগতে বিভিন্ন অভাৱ-অভিযোগৰ বুজ লয়। ইফালে, মন্ত্ৰী শ্ৰীদাসে বজালীৰ ৯১ নম্বৰ কাপ্‌লা আদৰ্শ অংগনবাড়ী কেন্দ্ৰটোও উদ্বোধন কৰে।

০০০০০০০

ৰাজ্যৰ বিত্তমন্ত্ৰী অজন্তা নেওগে কয় যে, বিগত ৩ বছৰত গোলাঘাট জিলাৰ কেইবাটাও খণ্ডত যথেষ্ট উন্নয়ন হৈছে। গোলাঘাটৰ আৱৰ্ত ভৱনত আজি এখন সংবাদমেল যোগে মন্ত্ৰী নেওগে কৈছে যে, গোলাঘাট সমষ্টিত নিৰ্মাণ হৈ থকা চিকিৎসা মহাবিদ্যালয়ৰ কাম ইতিমধ্যে ৩৮ শতাংশ সম্পন্ন হোৱাৰ লগতে বীৰাঙ্গনা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয়ৰ কাম ২১ শতাংশ সম্পূৰ্ণ হৈছে। গোলাঘাট নগৰত নিৰ্মাণ হৈ থকা আয়ুক্তৰ কাৰ্যালয়ৰ কাম ২৩ শতাংশ সম্পন্ন হোৱাৰ বিপৰীতে জিলাখনত অসম মালাৰ অধীনত ধোদৰ আলিৰ কাম ১৭ শতাংশ, গোলাঘাটৰ পৰা মেৰাপানী সংযোগী পথৰ কাম ৯ দশমিক ৫ শতাংশ, গোহাই আলিৰ কাম ১৫ শতাংশ সম্পন্ন হৈছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। গোলাঘাট নগৰখনক যান জটৰ পৰা ৰক্ষা কৰিবলৈ গাড়ী ৰখা স্থানৰ সঠিক ব্যৱস্থা কৰিবৰ বাবেও চিন্তা চৰ্চা কৰি থকা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। ২০২৫ চনত এখন নতুন গোলাঘাট উপহাৰ দিয়াৰ কথা উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে গোলাঘাটত কৃত্ৰিম বানপানী ৰোধ কৰিবলৈ নলাৰ ব্যৱস্থা, ৰাস্তা আদি নিৰ্মাণ কৰাৰ কথাও মন্ত্ৰী অজন্তা নেওগে উল্লেখ কৰে।

০০০০০০০

শোণিতপুৰ জিলা দিৱসৰ সৈতে সংগতি ৰাখি তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি জিলাখনৰ দিব্যাংগসকলক কৃত্ৰিম অংগ প্ৰদান কৰা হয়। শোণিতপুৰ জিলা শাখাৰ সৌজন্যত আৰু উত্তৰ অসম দিব্যাংগ সন্থাৰ সহযোগত আয়োজন কৰা অনুষ্ঠানত জিলাখনৰ অভিভাৱক মন্ত্ৰী পিযুষ হাজৰিকা, বিধায়ক পৃথিৰাজ ৰাভা, গণেশ ককুমাৰ লিম্বু, কৃষ্ণ কমল তাঁতী আৰু জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ উপস্থিত থাকে।

০০০০০০০

ৰাজ্যত কালিৰে পৰা অমৃত বৃক্ষ আন্দোলন ২.০ অনুষ্ঠিত হৈছে। এই অভিযানৰ অংশ হিচাপে আজি জাগীৰোডত জলসম্পদ মন্ত্ৰী পিযুষ হাজৰিকাই গছপুলি ৰোপণ কৰে। জাগীৰোডৰ লোক নিৰ্মাণ বিভাগৰ অতিথিশালা চৌহদত গছপুলি ৰোপণ কৰি সকলোকে নিজৰ মাতৃৰ নামত গছপুলি ৰোপণ কৰিবলৈ মন্ত্ৰীগৰাকীয়ে আহ্বান জনায়। আনফালে কাইলৈৰ দিনটো জাগীৰোডৰ লগতে সমগ্ৰ অসমৰ বাবে ঐতিহাসিক দিন হব বুলি উল্লেখ কৰি শ্ৰীহাজৰিকাই কয় যে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কাইলৈ টাটাৰ প্ৰস্তাৱিত চেমি কনডাক্টৰ প্ৰকল্পৰ ভূমি পূজন কৰিব। প্ৰায় ৩০ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া এই প্ৰকল্পত ৩০ হাজাৰতকৈ অধিক যুৱক-যুৱতীয়ে সংস্থাপন লাভ কৰিব বুলিও মন্ত্ৰী পীযুষ হাজৰিকাই প্ৰকাশ কৰে।

০০০০০০০

ৰাজ্যৰ জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই আজি নগাঁও জিলাৰ কলিয়াবৰৰ হাতীমূৰাৰ নিৰ্মীয়মান শ্লুইচ গেট সংলগ্ন মথাউৰিৰ চিগা অংশ আৰু কলংমুখৰ অস্থায়ী সুৰক্ষা বান্ধটো পৰিদৰ্শন কৰে। তেওঁ পৰিস্থিতি অধ্যয়ন কৰি এই বান্ধটো অধিক মজবুত কৰি সুৰক্ষিত কৰাৰ লগতে বানত ক্ষতিগ্ৰস্ত লোকসকলক উচিত ক্ষতিপূৰণ ১৫ আগষ্টৰ পূৰ্বে আদায় দিয়া হ'ব বুলি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। উল্লেখযোগ্য যে যোৱা ২ জুলাইত এই শ্লুইচ গেটৰ বান্ধ ভাঙি কলংমুখেৰে ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানী সোমাই আহি কলিয়াবৰ ৰাজহ চক্ৰৰ ৫৮খনকৈ ৰাজহ গাঁও প্লাৱিত কৰিছিল।

০০০০০০০

- তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ অধীনস্থ প্ৰেছ ইনফৰমেচন ব্যুৰোৰ তথ্য পৰীক্ষণ গোটে ২০১৯ চনৰ পৰা বৰ্তমানলৈ মুঠ ৯ হাজাৰ ৯২২টা বাৰ্তাক ভুৱা বাতৰি হিচাপে চিহ্নিত কৰি সেইবোৰ নিষিদ্ধ কৰিছে। তথ্য আৰু সম্প্ৰচাৰ দপ্তৰৰ ৰাজ্য মন্ত্ৰী ড০ এল মুৰুগানে আজি ৰাজ্যসভাত এটা পৰিপুৰক প্ৰশ্নৰ উত্তৰত এই কথা প্ৰকাশ কৰে। ২০১৯ চনত ব্যুৰোৰ তথ্য পৰীক্ষণ গোটটো প্ৰতিষ্ঠা কৰা হৈছিল বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে দিল্লীত স্থাপন কৰা এই গোটটোৰ কোনো আঞ্চলিক শাখা স্থাপনৰ বিষয়ে সম্প্ৰতি পৰিকল্পনা কৰা হোৱা নাই। ভুৱা বাতৰি সন্দৰ্ভত উত্থাপিত আন এটা প্ৰশ্নৰ উত্তৰত তথ্য আৰু সম্প্ৰচাৰ দপ্তৰৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে চৰকাৰৰ সৈতে সম্পৰ্কিত যিকোনো বিষয়ৰ শুদ্ধতাৰ বিষয়টো কেৱল চৰকাৰেহে নিশ্চিত কৰিব পাৰে। তথ্য পৰীক্ষণৰ বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ সৈতে সম্পৰ্কিত বুলিও তেওঁ লগতে প্ৰকাশ কৰে।

আনহাতে ৰাজ্যসভাৰ সভাপতি জগদীপ ধনখড়ে সংবাদ মাধ্যমক গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ বুলি অভিহিত কৰি ইয়াক গণতন্ত্ৰৰ প্ৰয়োজনীয় সম্পদ হিচাপে আখ্যা দিয়ে।

০০০০০০০

ৰাজ্যৰ পৰিবহন, তথ্যপ্ৰযুক্তি, বিজ্ঞান-প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন আদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই আজি কেন্দ্ৰীয় গুৰু উদ্যোগ মন্ত্ৰী এইছ ডি কুমাৰাস্বামীক সাক্ষাৎ কৰে। এই সাক্ষাৎকালত মন্ত্ৰী শ্ৰীমহন্তই শিলচৰত পৰিবহন বিভাগে ব্যৱহাৰ কৰি থকা কেন্দ্ৰীয় মন্ত্ৰালয়টোৰ দ্বাৰা স্থাপিত নেশ্যনেল ইনষ্টিটিউট ফৰ অটোমেটিভ ইন্সপেকচন, মেইণ্টেনেন্টছ এণ্ড ট্ৰেইনিঙক পূৰ্ণ ৰূপত কাৰ্যক্ষম কৰি অটোমেটেড টেষ্টিং চেণ্টাৰলৈ উন্নীতকৰণৰ অনুৰোধ জনায়। তদুপৰি শিলচৰৰ ধূলছেড়াৰ নেশ্যনেল হিল এৰিয়া ড্ৰাইভিং ট্ৰেইনিং চেণ্টাৰটো পুনৰুজ্জীৱিত কৰিবলৈ আনুৰোধ জনায়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই অনুৰোধৰ প্ৰতি ইতিবাচক সঁহাৰি জনাই বিষয়টো মন্ত্ৰালয়ে বিবেচনা কৰিব বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে আশ্বাস প্ৰদান কৰে।

ইয়াৰ পূৰ্বে মন্ত্ৰী শ্ৰীমহন্তই কেন্দ্ৰীয় সাংস্কৃতিক আৰু পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱাটক সাক্ষাৎ কৰি গুৱাহাটী সমীপৰ সোণাপুৰত নিৰ্মীয়মান বিজ্ঞান নগৰী প্ৰকল্প সন্দৰ্ভত আলোচনা কৰে। কেন্দ্ৰীয় মন্ত্ৰালয়টোৰ অধীনৰ বিজ্ঞান সংগ্ৰহালয়ৰ সহযোগত নিৰ্মাণ কৰি থকা অত্যাধুনিক বিজ্ঞান প্ৰকল্পটোৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰাৰ লগতে অতিৰিক্ত নিৰ্মাণ ব্যয় অনুমোদনৰ বাবেও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক অনুৰোধ জনায়। মন্ত্ৰী শ্ৰীমহন্তই কেন্দ্ৰীয় পৰিবেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী ভূপেন্দ্ৰ যাদৱক সাক্ষাৎ কৰি অসমত জলবায়ু পৰিৱৰ্তন সম্পৰ্কীয় সম্ভাব্য কাৰ্যসূচীৰ বিষয়ে আলোচনা কৰে। তদুপৰি ৰাজ্যৰ জলবায়ু পৰিৱৰ্তন প্ৰতিৰোধৰ নতুন আঁচনি গ্ৰহণৰ লগতে কেন্দ্ৰীয় চৰকাৰৰ মিছন লাইফ কাৰ্যসূচীক অধিক বহল পৰিসৰত কাৰ্য ৰূপায়ণৰ বাবে অনুৰোধ জনায়।

০০০০০০০

গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ বিভিন্ন সেৱাৰ মাছুল সামান্য বাঢ়িছে বুলি অধীক্ষক ডাঃ অভিজিৎ শৰ্মাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। সংবাদ মাধ্যমৰ আগত আজি ডাঃ শৰ্মাই কয় যে, ২০০২ চনতে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ মাছুল বৃদ্ধি কৰা হৈছিল। যোৱা ছমাহ ধৰি সমগ্ৰ বিষয়টো এখন সমিতিয়ে পৰ্যালোচনা কৰাৰ লগতে বজাৰৰ দৰ পৰীক্ষা কৰি যুক্তিসংগতভাৱে বিভিন্ন সেৱাৰ মাছুল বৃদ্ধি কৰিছে বুলি অধীক্ষকগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ লগতে কয় যে ৮৫ শতাংশ লোকৰ প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ কাৰ্ড আছে। ইয়াৰ বাহিৰৰ যিসকল লোকে মাছুলৰ খৰছ বহন কৰিব নোৱাৰে তেওঁলোকে কৰ্তৃপক্ষক ক'লেই মাছুল বিনামূলীয়া কৰি দিব বুলিও ডাঃ অভিজিৎ শৰ্মাই জানিবলৈ দিয়ে।

০০০০০০০

ৰাজ্যৰ শিক্ষা ব্যৱস্থাৰ আমূল পৰিৱৰ্তনৰ লক্ষ্যৰে শিক্ষা বিভাগে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ অংশ হিচাপে শীঘ্ৰে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পৰা বিভাগ প্ৰদানৰ ব্যৱস্থা আতৰ কৰা হ'ব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ঘোষণা কৰিছে। অসম মাধ্যমিক শিক্ষা পৰিষদ আৰু আজিম প্ৰেমজি বিশ্ববিদ্যালয়ৰ সহযোগত কালি গুৱাহাটীত অনুষ্ঠিত প্ৰশ্নকাকত প্ৰস্তুত সম্পৰ্কীয় এখন কৰ্মশালাত উপস্থিত থাকি শিক্ষামন্ত্ৰী ডাঃ পেগুৱে কয় যে, ইতিমধ্যে স্থান লাভৰ ব্যৱস্থা আঁতৰোৱাৰ পিছত অহা এক-দুই বছৰৰ ভিতৰত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পৰা ডিভিজন বা বিভাগৰ ব্যৱস্থাও আঁতৰোৱা হ'ব। তেওঁ কয় যে, হাইস্কুল শিক্ষান্ত পৰীক্ষাত কেৱল উত্তীৰ্ণ আৰু অনুত্তীৰ্ণৰ হে ব্যৱস্থা থাকিব। ইয়াৰ উপৰি শিক্ষাৰ্থীসকলে লাভ কৰা নম্বৰো ৰাজহুৱা কৰা নহ'ব। ফলাফল ঘোষণাৰ পাছত ছাত্ৰ-ছাত্ৰীৰ প্ৰমাণপত্ৰ আদি ডিজি লকাৰত উপলব্ধ হ'ব বুলি তেওঁ লগতে উল্লেখ কৰে। উল্লেখযোগ্য যে, এই কৰ্মশালাখনে মাধ্যমিক শিক্ষা পৰিষদৰ অধীনৰ শিক্ষাৰ্থীসকলক ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে সম্পূৰ্ণ দক্ষ কৰি তোলাত সহায় কৰিব বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। কৰ্মশালাত উপস্থিত থাকি ছেবাৰ অধ্যক্ষ ৰমেশ চান্দ জৈনে কয় যে, হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ প্ৰশ্নকাকতৰ বিষয়ে সকলো তথ্য ৱেবছাইটত উপলব্ধ কৰা হৈছে।

০০০০০০০

মৰিগাঁও জিলা প্ৰশাসনৰ উদ্যোগত আৰু জিলা কৃষি বিষয়াৰ কাৰ্যালয়ৰ সহযোগত ডিজিটেল শস্য সমীক্ষা, খাৰিফ ২০২৪ সন্দৰ্ভত প্ৰশিক্ষণ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই মৰিগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত তিনিদিনীয়া কাৰ্যসূচীৰে আয়োজিত প্ৰশিক্ষণৰ আজি শুভাৰম্ভণি কৰে। জিলা কৃষি বিষয়া অশোক কুমাৰ শৰ্মাৰ সঞ্চালনাত আয়োজিত প্ৰশিক্ষণ অনুষ্ঠানত জিলা আয়ুক্তগৰাকীয়ে ডিজিটেল শস্য সমীক্ষাৰ প্ৰয়োজনীয়তা আৰু ইয়াৰ জৰিয়তে কৃষক কেনেদৰে উপকৃত হ'ব সেই বিষয়ত সকলো কথা নিয়াৰিকৈ আলোচনা কৰিবলৈ আহ্বান জনায়।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে পি আই বি গুৱাহাটীৰ সহযোগত কাইলৈ নিশা ৮ বাজি ২ মিনিটত শ্ৰোতাৰ বাবে অলিম্পিক কুইজৰ আয়োজন কৰিছে। অনুষ্ঠানত ক্ৰীড়া সাংবাদিক সুসীম ঘোষ আৰু ত্ৰিদীপ বপৰুচ সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। কাইলৈ পেৰিছ অলিম্পিক সন্দৰ্ভত হ'বলগীয়া দৃষ্টিপাত অনুষ্ঠানত শ্ৰোতাক প্ৰশ্ন সোধা হ'ব। দৃষ্টিপাত অনুষ্ঠানৰ যোগেদিয়ে কুইজ প্ৰতিযোগিতাৰ বাবে শ্ৰোতাসকলে উত্তৰ দিব পাৰিব। অনুষ্ঠানটোৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই।

০০০০০০০

পেৰিছ অলিম্পিকৰ সপ্তম দিনা আজি ভাৰতৰ অংকিতা ভকত আৰু ধীৰাজ বোম্মাদেবাৰা আৰ্চাৰীৰ দলীয় মিক্সড শিতানৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। পুৰুষৰ হকীত ভাৰতীয় দলে গ্ৰুপ পৰ্যায়ৰ শেষখন খেলত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে তৃতীয়াৰ্ধৰ খেলৰ শেষত ৩-১ গলত আগবাঢ়ি আছে। ইপিনে, শ্যুটিঙত দুটা অলিম্পিক পদক বিজেতা মনু ভাকৰে ২৫ মিটাৰ এয়াৰ পিষ্টল শিতানত ফাইনেলত প্ৰৱেশ কৰে। গল্ফত শুভংকৰ শৰ্মা আৰু গগনজিৎ ভাল্লাৰৰ প্ৰতিদ্বন্দ্বিতা অব্যাহত আছে। আনহাতে ৰ'য়িঙত ভাৰতৰ একমাত্ৰ প্ৰতিনিধি বলৰাজ পানৱাৰে পুৰুষৰ একক স্কালছ শিতানত আজি ফাইনেলত অৱতীৰ্ণ হৈছে। ইপিনে, বেডমিণ্টনত ভাৰতৰ লক্ষ্য সেনে আজি চিনা টাইপেৰ ছৌ টিয়েনচেনৰ বিৰুদ্ধে পুৰুষৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত অৱতীৰ্ণ হৈছে। আজি সন্ধিয়া চাৰে ৬ বজাত খেলখন আৰম্ভ হৈছে। জুডোত ৭৮ কিলোগ্ৰামতকৈ ওপৰৰ শাখাত তুলিকা মানে ৩২ সংখ্যক ৰাউণ্ডত পৰাস্ত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হয়। এথলেটিকছত অংকিতা ধ্যানী, পাৰিল চৌধাৰী আৰু তাজিন্দৰ পাল সিং টুৰে ক্ৰমে মহিলাৰ ৫ হাজাৰ মিটাৰ কোৱালিফিকেশ্যন ৰাউণ্ড আৰু পুৰুষৰ শ্বটপুটত অৱতীৰ্ণ হ'ব।

০০০০০০০

ভাৰত আৰু শ্ৰীলংকাৰ মাজত অনুষ্ঠিত ৩ খনীয়া এদিনীয়া শৃংখলাৰ প্ৰথমখন খেলত শ্ৰীলংকাই ভাৰতক জয়ৰ বাবে ২৩১ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। খেলৰ আৰম্ভণিতে শ্ৰীলংকাই বেটিং কৰি নিৰ্ধাৰিত ৫০ অভাৰত ৮ টা উইকেট হেৰুৱাই ২৩০ ৰাণ সংগ্ৰহ কৰে।

প্ৰত্যুত্তৰত আমাৰ বাতৰি যুগুতোৱাৰ পৰলৈকে ভাৰতে ২ অভাৰত এটাও উইকেট নেহেৰুৱাকৈ ১৬ ৰাণ সংগ্ৰহ কৰি খেলি আছে।

০০০০০০০

সমাপ্ত